**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 02-06-2026
**Time :** 18-45 Hrs

**ASSAMESE EVEN BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। মুগা শিল্পক গোলকীয় ব্ৰেণ্ড হিচাপে প্ৰতিষ্ঠা কৰাৰ লক্ষ্যৰে ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ উপস্থিতিত নতুন দিল্লীত **চেনেহজৰী** অভিযানৰ শুভাৰম্ভ।

২। অসমৰ কৃষি আন্তঃগাঁথনি শক্তিশালী কৰা সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ সৈতে আলোচনা ।

৩। ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত অহা ৮ জুনত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ বিচাৰ প্ৰক্ৰিয়া আৰম্ভ।

৪। কংগ্ৰেছ বিধায়িনী দলৰ দলপতি ৰাজেদ আলী চৌধুৰীক অসম বিধানসভাৰ বিৰোধী দলপতিৰ মৰ্যাদা প্ৰদান। ***আৰু***

৫। পশ্চিম কাৰ্বি আংলং জিলাৰ অসম-মেঘালয় সীমান্তৰ টাপাৰ অস্থায়ী আৰক্ষী চাউনীত দুয়োখন ৰাজ্যৰ চৰকাৰী পক্ষৰ বৈঠক।

ooooo

অসমৰ বাচকবনীয়া মুগা শিল্পৰ প্ৰসাৰ আৰু এই শিল্পৰ বিকাশৰ বাবে আজি চেনেহজৰী শীৰ্ষক মুগা অভিযানৰ শুভাৰম্ভ কৰা হৈছে। নতুন দিল্লীত ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় বস্ত্ৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ উপস্থিতিত এই অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। অসমৰ মুগা শিল্পক গোলকীয় ব্ৰেণ্ড হিচাপে প্ৰতিষ্ঠা কৰাৰ লক্ষ্যৰে এই অভিযানৰ শুভাৰম্ভ কৰা হৈছে। অনুষ্ঠানত মন্ত্ৰী শ্ৰীসিন্ধিয়াই কয়, যে এঘাৰটা উপাদান সন্নিবিষ্ট এই অভিযানৰ মাধ্যমেৰে মুগা পালক, হস্তশিল্পী, বস্ত্ৰশিল্পী আৰু স্থানীয় ব্যৱসায়ীসকলক ন্যায্য প্ৰাপ্য দিয়াৰ লগতে আন্তঃৰাষ্ট্ৰীয় বজাৰলৈ মুগা শিল্পক সন্মান সহকাৰে লৈ যোৱা হ'ব।

বাইট-সিন্ধিয়া

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যান মন্ত্ৰী শিৱৰাজ সিং চৌহানক সাক্ষাৎ কৰি অসমৰ কৃষি আন্তঃগাথনি শক্তিশালী কৰা সন্দৰ্ভত আলোচনা কৰে। আলোচনাকালত কৃষি আন্তঃগাথনি পুঁজি অধিক ব্যৱহাৰ, শীতলীকৃত সংৰক্ষণ ব্যৱস্থা, উন্নত বজাৰ সংযোগ, যান্ত্ৰিক কৃষি পদ্ধতি আৰু শক্তিশালী যোগান শৃংখলা গঢ়ি তোলা বিষয়ত আলোচনা কৰা হয়। অসমৰ কৃষকসকলে যাতে এই উন্নত সুবিধাসমূহ লাভ কৰিব পাৰে সেই বিষয়ে মুখ্যমন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় কৃষিমন্ত্ৰীগৰাকীৰ সহযোগিতা বিচাৰে।

বাইট-মুখ্যমন্ত্ৰী

আলোচনাকালত ৰাজ্যখনত কৃষক কল্যানমূলক আঁচনিসমূহৰ তৃণমূল পৰ্যায়ত ফলপ্ৰসূ ৰূপায়ণ আৰু লাখপতি বাইদেউ আঁচনিৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰা হয়।

মুখ্যমন্ত্ৰীয়ে আজি নীতি আয়োগৰ নৱ নিযুক্ত উপাধ্যক্ষ অশোক কুমাৰ লাহিৰীক নতুন দিল্লীস্থিত বাসভৱনত সাক্ষাৎ কৰি নতুন দায়িত্বৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে আজি ভাৰতী এণ্টাৰপ্ৰাইজ কোম্পানীৰ

উপাধ্যক্ষ আৰু পৰিচালন সঞ্চালক ৰাজেন ভাৰতী মিট্টালক সাক্ষাৎ কৰি অসমত তেওঁলোকৰ সংস্থাৰ অধীনত চলি থকা প্ৰকল্পসমূহৰ লগতে তেওঁলোকৰ পৰিকল্পনা সম্পৰ্কে আলোচনা কৰে। ড০ শৰ্মাই এল এন টি কোম্পানীৰ অধ্যক্ষ আৰু পৰিচালন সঞ্চালক এছ এন সুব্ৰমনিয়ামকো সাক্ষাৎ কৰে।

ooooo

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ বিচাৰ প্ৰক্ৰিয়া অহা ৮ জুনত আৰম্ভ হ'ব। বিচাৰৰ প্ৰথম দিনটোতে আদালতে ৪ জন সাক্ষীক তলব কৰিছে। আদালতে গোচৰ সংক্ৰান্তত মৰিগাওঁ জিলাৰ আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাস, জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত এজাহাৰ দাখিল কৰা ৰাতুল বৰা, মৰিগাঁৱৰ ভাৰপ্ৰাপ্ত বিষয়া প্ৰণৱ শইকীয়া, আৰু আৰক্ষী পৰিদৰ্শক ভাস্কৰ বৰ্মনক ৮ জুনক আদালতত হাজিৰ হৈ সাক্ষ্য দিবলৈ নিৰ্দেশ জাৰি কৰিছে। উল্লেখযোগ্য যে ফাষ্টট্ৰেক আদালতে যোৱা ২৬ মে'ত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ ৭ গৰাকী অভিযুক্তৰ বিৰুদ্ধে গোচৰৰ ধাৰা আৰোপ কৰিছিল। ৮ জুনৰ পৰা ফাষ্টট্ৰেক আদালতত দৈনিক বিচাৰ প্ৰক্ৰিয়া চলিব।

ooooo

কংগ্ৰেছ বিধায়িনী দলৰ দলপতি ৰাজেদ আলী চৌধুৰীক আনুষ্ঠানিকভাৱে অসম বিধানসভাৰ বিৰোধী দলপতিৰ মৰ্যাদা প্ৰদান কৰা হৈছে। অসম বিধানসভাৰ অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে এখন পত্ৰযোগে শ্ৰীচৌধুৰীক এই মৰ্যাদা প্ৰদান কৰে। বিৰোধী দলপতি হিচাপে ৰাজেদ আলী চৌধুৰীয়ে কাৰ্যালয়ৰ দায়িত্বভাৰ গ্ৰহণ কৰিব বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে।

ooooo

কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ৰ খনিকৰত নৱ নিৰ্মিত বহুমুখী ষ্টেডিয়াম পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে প্ৰকল্পটোত উপস্থিত হৈ ইয়াৰ আন্তঃগাথনিগত বিভিন্ন দিশ পৰ্যালোচনা কৰাৰ লগতে যাৱতীয় দিহা-পৰামৰ্শ আগবঢ়ায়। অত্যাধুনিক সা-সুবিধাৰে সজ্জিত এই ক্ৰীড়া আন্তঃগাথনিয়ে ডিব্ৰুগড় জিলাৰ লগতে সমগ্ৰ উজনি অসমৰ ক্ৰীড়া ক্ষেত্ৰত নতুন দিগন্তৰ সূচনা কৰিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। যুৱ প্ৰজন্মৰ ক্ৰীড়া প্ৰতিভা বিকাশৰ ক্ষেত্ৰতো এই ষ্টেডিয়ামখন মাইলৰ খুটি হিচাপে পৰিগণিত হ'ব বুলি তেওঁ উল্লেখ কৰে।

বাইট - সোণোৱাল

মন্ত্ৰীগৰাকীৰ সৈতে পৰিদৰ্শনকালত অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, অসম পেট্ৰকেমিকেলছ লিমিটেডৰ অধ্যক্ষ বিকুল ডেকা, ডিব্ৰুগড় পৌৰ নিগমৰ উপ মেয়ৰ উজ্বল ফুকনকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

পশ্চিম কাৰ্বি আংলং জিলাৰ অসম-মেঘালয় সীমান্তৰ টাপাৰ অস্থায়ী আৰক্ষী চাউনীত আজি ৰাজ্য দুখনৰ চৰকাৰী পক্ষৰ উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়। সুদীৰ্ঘ দিন ধৰি চলি থকা সীমা সমস্যাৰ মাজতে এই বৈঠকৰ আয়োজন কৰা হৈছিল। কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং আৰু মেঘালয়ৰ উপ মুখ্যমন্ত্ৰী স্নয়ুভালাং ধাৰৰ নেতৃত্বত এই বৈঠক অনুষ্ঠিত হয়। বৈঠকৰ পাছত সাংবাদিকৰ আগত ৰংহাঙে কয় যে দুয়োপক্ষৰ মাজত বুজাবুজিৰে সীমান্ত অঞ্চলত কৃষি কাৰ্য সম্পৰ্কীয় বিষয়সমূহ নিষ্পত্তি কৰাৰ বাবে আলোচনা কৰা হৈছে।

মেঘালয়ৰ উপ মুখ্যমন্ত্ৰীগৰাকীয়েও এই আলোচনাক লৈ সন্তুষ্টি ব্যক্ত কৰে। তেওঁ কয় যে এই আলোচনাত সীমা সমস্যা সন্দৰ্ভত কোনো বিষয় উত্থাপন কৰা হোৱা নাই। বৰং সীমান্ত অঞ্চলত কৃষি কাৰ্য কৰাক লৈ আলোচনা কৰা হৈছে বুলি তেওঁ কয়।

০০০০০

উমৈহতীয়া দেৱানী বিধিয়ে ৰাজ্যখনৰ সমাজ সংস্কাৰৰ দিশত নতুন দিক নিৰ্ণয় কৰিব বুলি প্ৰাক্তন মন্ত্ৰী তথা টিংখং সমষ্টিৰ বিধায়ক বিমল বৰাই মন্তব্য কৰিছে। শিৱসাগৰ জিলা বিজেপি কাৰ্যালয়ত আজি আয়োজিত এখন সংবাদমেলত তেওঁ কয় যে এই বিধি বলবৎ কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে যুগান্তকাৰী পদক্ষেপ লৈছে। ইয়াৰ ফলত সকলো নাগৰিক সম অধিকাৰৰ আওতালৈ আহিব বুলি তেওঁ উল্লেখ কৰে। সমাজত মহিলাৰ অধিকাৰ সুৰক্ষিত কৰা, বিবাহ ব্যৱস্থাত অধিক সু-সংহত কৰা আৰু সামাজিক স্থিৰতা ৰক্ষাৰ ক্ষেত্ৰত উমৈহতীয়া দেৱানি বিধি ফলপ্ৰসূ হ'ব বুলিও তেওঁ আশা প্ৰকাশ কৰে।

বাইট- বৰা

০০০০০

ৰাজ্যত অহা ২ আগষ্টত আৰম্ভ হ'বলগীয়া প্ৰথম পৰ্যায়ৰ লোকপিয়লৰ বাবে জিলাই জিলাই ইতিমধ্যে গৃহ তালিকা আৰু গৃহ পিয়ল সম্পৰ্কীয় প্ৰশিক্ষণ চলি আছে। তামুলপুৰ জিলাত আজি এই কাৰ্যসূচী আনুষ্ঠানিকভাৱে আৰম্ভ হৈছে। পৰহিলৈ পৰ্যন্ত চলিবলগীয়া এই কাৰ্যসূচী আজি জিলা আয়ুক্ত তথা জিলা মুখ্য লোকপিয়ল বিষয়া ছিমি কৰণে শুভাৰম্ভ কৰে। জিলাখনত ২০২৭ চনৰ লোকপিয়ল সঠিকভাৱে ৰূপায়ণ কৰাৰ বাবে বিষয়াসকলক দক্ষ কৰি তুলিবলৈ প্ৰশিক্ষণৰ আয়োজন কৰা হৈছে। উদ্বোধনী অনুষ্ঠানত জিলা লোকপিয়ল বিষয়া ড° দীপংকৰ নাথ, অতিৰিক্ত জিলা লোকপিয়ল বিষয়া বিদিশা বৰাৰ উপৰি গণনাৰ দায়িত্বত নিয়োজিত হ'বলগীয়া বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

নগাঁও জিলা পৰিষদৰ কাৰ্যালয়ৰ সভাকক্ষত আজি লোকপিয়ল ২০২৭ৰ প্ৰথম পৰ্যায়ৰ গৃহ তালিকাভুক্তি আৰু গৃহ পিয়ল সম্পৰ্কীয় প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। জিলাখনৰ আয়ুক্ত দেৱাশীষ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত অতিৰিক্ত জিলা আয়ুক্ত সহকাৰী আয়ুক্ত, চক্ৰ বিষয়া, খণ্ড উন্নয়ন বিষয়া প্ৰমুখ্যে চৰকাৰী বিষয়াসকল উপস্থিত থাকে। কাইলৈ আৰু অহা ৮ জুনত হ'বলগীয়া এই প্ৰশিক্ষণ কাৰ্যসূচীত তথ্য সংগ্ৰহ পদ্ধতি, ডিজিটেল গণনা আৰু প্ৰয়োজনীয় সমন্বয় ব্যৱস্থাৰ ওপৰত বিশদ আলোচনা কৰা হ'ব।

চিৰাং জিলাতো কালিৰে পৰা আসন্ন লোকপিয়লৰ বাবে তিনিদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হৈছে। চিৰাং জিলাক ছটা লোকপিয়ল কেন্দ্ৰত বিভক্ত কৰা হৈছে। ইয়াৰে বিজনী, ছিদলী আৰু বেংতলে গ্ৰামাঞ্চলক সামৰি লোৱাৰ বিপৰীতে বিজনী, বাসুগাঁও আৰু কাজলগাঁৱে চহৰ অঞ্চলক সামৰি লৈছে। চিৰাং জিলাৰ আয়ুক্ত মধুসূধন নাথে আজি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত ২০২৭ বৰ্ষৰ লোকপিয়লৰ চৰকাৰী শুভংকৰ প্ৰতীক **প্ৰগতি আৰু বিকাশ** উন্মোচন কৰে।

ডিব্ৰুগড় জিলাত কালি অনুষ্ঠিত প্ৰশিক্ষণত জিলাখনৰ সম-জিলা আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্ত, ৰাজহ চক্ৰ বিষয়াকে ধৰি অন্যান্য বিষয়াসকলে অংশগ্ৰহণ কৰে।

উল্লেখযোগ্য যে ৰাজ্যত আসন্ন লোকপিয়ল সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে লোকপিয়ল সঞ্চালকালয়ে সকলো ধৰণৰ প্ৰাৰম্ভিক প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। ইয়াৰ বাবে ইতিমধ্যে ৮৫ হাজাৰ গণনাকাৰী বিষয়া নিয়োগ কৰা হৈছে। ১৭ আগষ্টৰ পৰা গণনাকাৰী বিষয়াসকলে ঘৰে ঘৰে গৈ জন গণনা কৰিব। এই প্ৰক্ৰিয়া ১৫ ছেপ্তেম্বৰ পৰ্যন্ত চলিব। এইবাৰৰ লোকপিয়লত স্ব-গণনাৰো বিকল্প ব্যৱস্থা কৰা হৈছে। লোকপিয়লত জনসাধাৰণে ১৬টা ভাষাত তথ্য দিব পাৰিব।

00000

ধেমাজী জিলা আৰু ছেছন ন্যায়াধীশৰ আদালতে ২০২১ চনৰ ২০ জুলাইত সংঘটিত এটা হত্যাকাণ্ডৰ গোচৰত অভিযুক্তক আজি যাৱজ্জীৱন কাৰাদণ্ডৰ ৰায় দিছে। জিলা আৰু ছেচন ন্যায়াধীশ কল্যান জিৎ শইকীয়াৰ আদালতে অভিযুক্ত পিতৃ হত্যাকাৰী বিপিন গগৈক  ভাৰতীয় দণ্ডবিধিৰ ৩০২ / ৩৪ ধাৰাত দোষী সাব্যস্ত কৰি যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰাৰ লগতে ১০ হাজাৰ টকাৰ জৰিমণা বিহে। অভিযোগ অনুসৰি বিপিন গগৈয়ে পিতৃ খগেন গগৈক হত্যা কৰাৰ লগতে মাতৃকো আঘাত কৰিছিল। চিলাপথাৰ থানাত পঞ্জীয়ন হোৱা গোচৰৰ ভিত্তিত তদন্তকাৰী বিষয়াই দাখিল কৰা অভিযোগনামা অনুসৰি আদালতে ৭ জন সাক্ষীৰ সাক্ষ্য গ্ৰহণৰ পাছত আজি চূড়ান্ত ৰায়দান কৰে।

00000

কামৰূপ আৰক্ষীয়ে আজি অভিযান চলাই চাংসাৰীত বুজন পৰিমাণৰ নিচাযুক্ত দ্ৰব্য জব্দ কৰে। আৰক্ষীয়ে ৰেলযোগে সৰবৰাহ কৰাৰ চেষ্টা কৰা অৱস্থাত হেৰোইনখিনি জব্দ কৰিবলৈ সমৰ্থ হয়। আৰক্ষীয়ে এই সংক্ৰান্তত এজন লোকক আটক কৰিছে। কাছাৰ আৰক্ষীয়ে শিলচৰ আৰু উদাৰবন্দত অভিযান চলাই প্ৰায় এক কোটি টকা মূল্যৰ অবৈধ কফচিৰাপ জব্দ কৰিছে। এটা গুদামত তালাচী চলোৱাৰ সময়ত আৰক্ষীয়ে এহেজাৰ ৪২০ বটল কফ চিৰাপ জব্দ কৰে। ঘটনা সংক্ৰান্তত এজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে।

ইপিনে, ওদালগুৰি জিলাৰ মাজবাট আৰক্ষীয়ে আজি জিলাখনৰ দিমাচাংগা এলেকাত অভিযান চলাই এখন বাহনৰ পৰা বুজন পৰিমাণৰ ভাং জব্দ কৰে। এই অভিযানত এজন সৰবৰাহকাৰীক আটক কৰা হয়।

যোৰহাট আৰক্ষীয়ে যোৱা নিশা নগৰখনৰ চোলাধৰা চাৰিআলিত  এখন মটৰ চাইকেলত অহা দুজন যুৱকৰ পৰা প্ৰায় এক কোটি টকা মূল্যৰ মাদক দ্ৰব্য জব্দ কৰে। আৰক্ষীয়ে মাদক দ্ৰব্য সৰবৰাহৰ অভিযোগত দুজন যুৱকক আটক কৰে। আটক কৰা লোক দুজনক সোধা পোচা কৰি থকা হৈছে।

00000

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰ্যালয়ৰ প্ৰধানমন্ত্ৰী যক্ষ্মামুক্ত ভাৰত অভিযান ১০০ দিনৰ কাৰ্যসূচীৰ লগত সংগতি ৰাখি ডিব্ৰুগড় জিলা স্বাস্থ্য সমিতিয়ে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰিছে। জিলাখনৰ প্ৰান্তীয় তথা অধিক আশংকা থকা অঞ্চলসমূহক বিশেষভাৱে সামৰি মুঠ ২১৬টা আয়ুষ্মান আৰোগ্য শিবিৰ অনুষ্ঠিত হৈছে। ২০৯টা গ্ৰামাঞ্চলত আৰু ৭টা নগৰাঞ্চলত অনুষ্ঠিত এই শিবিৰত মুঠ ১৯ হাজাৰ ৫৫ গৰাকী লোকে বিনামূলীয়া স্বাস্থ্য পৰীক্ষা আৰু পৰামৰ্শ গ্ৰহণ কৰিছে। অহা জুলাই মাহত সম্পূৰ্ণ হ'বলগীয়া এই অভিযানত জিলা স্বাস্থ্য বিভাগে অধিক তৎপৰতা, সমন্বয় আৰু ফলপ্ৰসূতাৰে কাৰ্যসূচী ৰূপায়ণ কৰাৰ সংকল্প গ্ৰহণ কৰিছে।

00000

কাছাৰ জিলাত এইচ আই ভি প্ৰতিৰোধ, পৰীক্ষণ আৰু পৰামৰ্শ সেৱা সম্প্ৰসাৰণৰ উদ্দেশ্যে আজি জিলাখনৰ আয়ুক্ত আয়ুষ গাৰ্গে অসম ৰাজ্যিক এইডছ নিয়ন্ত্ৰণ সন্থাৰ অধীনৰ মোবাইল ইনটেগ্ৰেটেড কাউন্সেলিং এণ্ড টেষ্টিং চেন্টাৰ চমুকৈ আই চি টি চি বাহন এখন উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত কাছাৰৰ স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক, বিভাগৰ অন্যান্য বিষয়া আৰু এইচ আই ভি প্ৰতিৰোধ আৰু সজাগতা কাৰ্যসূচীৰ সৈতে জড়িত অংশীদাৰসকল উপস্থিত থাকে। আই চি টি চি বাহনখনে জিলাখনৰ বিভিন্ন অঞ্চলত বিশেষকৈ বিপদজনক এলেকাত এইচ আই ভি সম্পৰ্কীয় অত্যাৱশ্যকীয় সেৱাসমূহ প্ৰদান কৰিব। জনমুখী স্বাস্থ্যসেৱা সম্প্ৰসাৰণৰ বাবে প্ৰশাসন আৰু স্বাস্থ্য বিভাগৰ দায়বদ্ধতাৰ প্ৰতিফলন ঘটোৱা এই বাহনখনে বিভিন্ন কাৰণত স্বাস্থ্যসেৱা লাভৰ ক্ষেত্ৰত বাধাৰ সন্মুখীন হোৱা লোকসকলক সেৱা প্ৰদানত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

00000

বজালী জিলাৰ বাঘমৰাৰ সমীপৰ ভোটেপোৰা বড়ী নিবাসী বিশিষ্ট ব্যৱসায়ী অমল কলিতাৰ যোৱা নিশা গুৱাহাটী এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁ বয়স আছিল ৪৮ বছৰ। ব্যৱসায়ীগৰাকীৰ অকাল মৃত্যুত শোক প্ৰকাশ কৰি বাঘমৰা উপ-নগৰ সমিতিয়ে কাইলৈ পুৱা ৪ ঘণ্টাৰ বাবে বাঘমৰা নগৰ অঞ্চল বন্ধ ৰখাৰ সিদ্ধান্ত লৈছে।

ooooo

ঃঃ সমাপ্ত ঃঃ